# নৰ্থ লখিমপুৰ মহাবিদ্যালয়ত অসমীয়া গদ্য লিখনৰ আলোচনা-সত্ৰ

'আমাৰ অসম'ৰ ষ্টাফ ৰিপৰ্টাৰ, লখিমপুৰ, ১০ আগষ্ট : ভাৰতীয় সাহিত্য অকাডেমী আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত সোমবাৰে 'অসমীয়া গদ্য লিখন কৌশলৰ বিৱৰ্তন' শীৰ্ষক এখন গুৰুত্বপূৰ্ণ আলোচনা-চক্ৰ সম্পন্ন হৈ যায়। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই সভাপতিত্ব কৰা আৰু দৰ্শন বিভাগৰ মুৰব্বী ড° বৰ্ণালী বৰাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে শিক্ষাবিদ ড° মুকুন্দ ৰাজবংশীয়ে। অনুষ্ঠানত আদৰণী ভাষণ দিয়ে সাহিত্য অকাডেমীৰ কলকাতাস্থিত আঞ্চলিক কাৰ্যালয়ৰ অনুষ্ঠান প্ৰাধিকাৰী ড° মিহিৰ কুমাৰ চাহুৰে। ভাষণ প্ৰসংগত চাহুৰে সাহিত্য অকাডেমীয়ে যুৱ-সাহিত্যিকৰ বাবে আগবঢ়োৱা বিভিন্ন সুবিধাৰ বিষয়ে কয়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিষয়টো বিশ্লেষণ কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে। বীজ ভাষণ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° কৰবী ডেকা হাজৰিকাই। উদ্বোধনী অনুষ্ঠানতে চলিত বৰ্ষত অসম চৰকাৰৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটাপ্ৰাপক বিশিষ্ট চিত্ৰশিল্পী চন্দ্ৰকমল গগৈক সম্বৰ্ধনা জনোৱা হয়। ড° মিহিৰ কুমাৰ চাহুৰে নৰ্থ লখিমপুৰ কলেজৰ সুন্দৰ আয়োজন আৰু উপস্থিত শ্ৰোতা-দৰ্শকৰ সজীৱ অংশগ্ৰহণৰ ভূয়সী প্ৰশংসা কৰে। ঔপন্যাসিক জয়ন্ত মাধৱ বৰাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা-চক্ৰৰ প্ৰথম কাৰিকৰী বৈঠকত গৱেষণা-পত্ৰ পাঠ কৰে ক্ৰমে কুমাৰ ভাস্কৰবৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অজিৎ ভৰালী, গুৱাহাটী



আলোচনা-চক্ৰৰ এটা মুহূৰ্ত

মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° স্মৃতিৰেখা ফুকন আৰু গোলাঘাট এইচপিবি মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক দিব্যজ্যোতি বৰাই। তেওঁলোকে অসমীয়া উপন্যাস, চলন্ত সাহিত্য আৰু চুটিগল্পত ব্যৱহৃত গদ্যৰ বিৱৰ্তন সম্পৰ্কে আলোকপাত কৰে। আলোচনা-চক্ৰৰ দ্বিতীয় তথা অন্তিম সত্ৰ সঞ্চালনা কৰে বিশিষ্ট ঔপন্যাসিক তথা গদ্য লেখক ৰূণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে। এই সত্ৰত সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ গদ্যৰ বিৱৰ্তন সম্পৰ্কে আলোচনা কৰে বিশিষ্ট গল্পকাৰ তথা 'সাতসৰী' আলোচনীৰ কাৰ্যবাহী সম্পাদক অতনু ভট্টাচাৰ্যই। বিশিষ্ট গদ্য লেখক তথা চিন্তাবিদ ময়ূৰ বৰাই মূলতঃ ঊনবিংশ শতিকাত অসমীয়া গদ্যই লাভ কৰা আধুনিক ৰূপটোক ভিত্তি হিচাপে লৈ লিখা এখন গৱেষণা-পত্ৰ পাঠ কৰে। সাহিত্য সমালোচক তথা নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই অসমীয়া জীৱন-উৎকৰ্ষমূলক গদ্য সাহিত্য লিখন কৌশলৰ বিৱৰ্তন বিষয়টো আনন্দৰাম ঢেকীয়াল ফুকন, সত্যনাথ বৰা, হেমেন বৰগোহাঞি আৰু দেৱকান্ত সন্দিকৈৰ ৰচনাৰ উদ্ধৃতিৰে বিশ্লেষণ কৰে। অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচীত অংশ লয় ড° স্বপ্নালী গগৈ, ড° হেমন্ত শৰ্মা, ড° ধনৰঞ্জন কলিতা, ড° ৰাতুল কুমাৰ লাহন, ড° নন্দিতা দত্ত, মুনমী দত্ত, ড° ধীৰাজ পাটৰ, মেঘালী দত্ত, পৰেশ খনিকৰ, অসীম শইকীয়া, শোভাকৃষ্ণ ফুকন, পূবালী বৰা, প্ৰাৰ্থনা দত্ত, সঞ্জয় আচাৰ্য আদিয়ে। অনুষ্ঠানটো সফল কৰি তোলাত সহযোগিতা আগবঢ়োৱা সকলোকে আলোচনা-চক্ৰৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই কৃতজ্ঞতা জনায়।